DAILY ASSAM

# মোৰ দেশ ভাল



সকলো দেশত কৰি মোৰ দেশ ভাল
চৰণত সেৱা যাৰ কৰোঁ চিৰকাল।
ক'ত আছে এনে মাটি সোণৰ চপৰা
ক'ত আছে এনে পানী সুধাৰ নিজৰা!
ক'ত আছে এনে ধান এই ধৰণীত
ক'ত আছে এনে ধন হাবি-বননিত।
ক'ত আছে এনে পলু—এৰি মুগা পাট
ক'ত আছে এনে পখী অমাতৰ মাত!
ক'ত আছে এনে ফুল ফুলে বাৰমাহ
ক'ত আছে এনে ফল দেখিলে উলাহ!
ক'ত আছে এনে ঠাই সৰগ-ফুলনি
ক'ত আছে এনে আই সোণৰ গোসাঁনী!
ভাই-ভনী মিলি য'ত থাকোঁ চিৰকাল
সকলো দেশত কৰি মোৰ দেশ ভাল।

**কবি—সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকা**

*(উৎস ঃ শিশু-সাহিত্য সম্ভাৰ, ২য় খণ্ড, ৭৫৭ পৃষ্ঠা, প্ৰকাশক ঃ এছ. এইছ. এডুকেশ্বনেল ট্ৰাষ্ট, গুৱাহাটী -৭৮১০০৫)*

☞ *পদ্যটি দলগতভাৱে গোৱাৰ পাছত এজন এজনকৈ প্ৰত্যেককে গাবলৈ দিব। প্ৰত্যেকে সম্পূৰ্ণকৈ গাব নোৱাৰালৈকে বাৰে বাৰে গোৱাব।*

DAILY ASSAM

**ক্রিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্রিয়া

**পদ্যটি শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে পঢ়োঁ আৰু আবৃত্তি কৰোঁ আহা**

**পদ্যটিৰ কথাখিনি নিজৰ কথাৰে কোৱা।**

**উত্তৰ দিয়া।**

(ক) কবিয়ে 'সকলো দেশত কৰি মোৰ দেশ ভাল' বুলি গৌৰৱ কৰা দেশ বা ৰাজ্যখনৰ নাম কি?

.......................................................................................................

(খ) 'ক'ত আছে এনে ঠাই সৰগ-ফুলনি
ক'ত আছে এনে আই সোণৰ গোসাঁনী!'
— পদ্যছোৱাত 'ঠাই' আৰু 'আই'ক কাৰ লগত তুলনা কৰা হৈছে?

.......................................................................................................

**পদ্যটিত কবিয়ে কি কি কথাৰে নিজৰ দেশৰ গুণ বৰ্ণনা কৰিছে লিখা।**

**নামৰ তালিকা কৰা।**


(ক) 'ক'ত আছে এনে ফুল ফুলে বাৰমাহ'
**বাৰমাহে ফুলা কেইবিধমান ফুলৰ নাম লিখা।**

| ফুলৰ তালিকা | |
|---|---|
| • | • |
| • | • |
| • | • |
| • | • |

(খ) 'ক'ত আছে এনে ধান এই ধৰণীত'
**কেইবিধমান ধানৰ নাম লিখা।**

| ধানৰ তালিকা | |
|---|---|
| • | • |
| • | • |
| • | • |
| • | • |

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*



 **তলৰ পদ্য কেইফাকি গদ্য ৰূপত লিখা।**

**উদাহৰণ—** 'সকলো দেশত কৰি মোৰ দেশ ভাল'
ওপৰৰ পদ্যশাৰী গদ্যত লিখিলে এনে হ'ব—মোৰ দেশ সকলো দেশতকৈ ভাল।

(ক) ক'ত আছে এনে মাটি সোণৰ চপৰা
ক'ত আছে এনে পানী সুধাৰ নিজৰা!

(খ) ভাই-ভনী মিলি য'ত থাকোঁ চিৰকাল
সকলো দেশত কৰি মোৰ দেশ ভাল।

 **পদ্যটি গদ্য ৰূপত লিখা।**

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

 **জানো আহা**

| |
|---|
| মোৰ দেশ **সকলোতকৈ** ভাল। ইয়াৰ অৰ্থ, কবিয়ে পৃথিৱীৰ আন দেশবোৰৰ লগত তুলনা কৰি নিজৰ দেশখন সকলো দেশতকৈ ভাল বুলি কৈছে। এনেদৰে বহুতৰ লগত দোষ-গুণৰ তুলনা কৰিবলৈ বাক্যত **সকলোতকৈ, সবাতোকৈ** বা **আটাইতকৈ** আদি শব্দ ব্যৱহাৰ কৰা হয়। |

 **সকলোতকৈ, সবাতোকৈ, আটাইতকৈ আদি শব্দ ব্যৱহাৰ কৰি তলৰ বাক্যকেইটি সম্পূৰ্ণ কৰা।**

(ক) ভাৰতৰ নদীবোৰৰ ভিতৰত গংগা ............... দীঘল আৰু ব্ৰহ্মপুত্ৰ ............ বহল।

(খ) মাজুলী পৃথিৱীৰ ভিতৰত ............ ডাঙৰ নদী-দ্বীপ।

(গ) কাজিৰঙাৰ জীৱ-জন্তুবিলাকৰ ভিতৰত এশিঙীয়া গঁড় ............. আপুৰুগীয়া।

(ঘ) আনৰ বস্তুৰ প্ৰতি লোভ কৰা ............. বেয়া গুণ।

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*



## জানো আহা

তুলনা সাধাৰণতে দুটা বা তাতকৈ অধিকৰ মাজত হয়। তেনেক্ষেত্ৰত দোষ-গুণ কম-বেছি বুজাবৰ বাবে সাধাৰণতে **'-তকৈ'** যোগ দি তুলনা কৰা হয়।
যেনে—ৰীতা ভনিতাতকৈ ধুনীয়া । তুলা লোতকৈ পাতল। নাই মোমাইতকৈ কণা মোমাই ভাল।



## আঁচটনা ঠাইত '-তকৈ' ব্যৱহাৰ কৰি লিখা আৰু পঢ়া।

অসমৰ আটাই……… দীঘল নদ ব্ৰহ্মপুত্ৰ।
মাজুলী আটাই……… ডাঙৰ নদী-দ্বীপ।
মাউন্ট এভাৰেষ্ট সকলো……… ওখ শৃংগ।

পদ্যটোত 'সকলো দেশত কৰি মোৰ দেশ ভাল' বুলি কবিয়ে নিজৰ দেশখনক আন দেশৰ লগত তুলনা কৰিছে। এনেদৰে তুলনা কৰোঁতে কবিয়ে '-তকৈ' ৰ সলনি 'ত কৰি' ব্যৱহাৰ কৰিছে।



## শব্দৰ খেল খেলোঁ আহা

(মনত ৰাখিবা- **ঙ, ঞ, ণ, ৰ, য় আৰু ৎ, ং, ঃ, ঁ** — এই কেইটা আখৰেৰে আৰম্ভ হোৱা শব্দ অসমীয়া ভাষাত নাই। চন্দ্ৰ বিন্দু ( ঁ ) অকলে নবহে। ই সদায় স্বৰধ্বনিৰ লগত যুক্ত হৈ থাকে। গতিকে খেলোঁতে শব্দৰ শেষত যদি উক্ত আখৰকেইটা আছে, তেনেহ'লে খেলখন আকৌ আৰম্ভ কৰি খেলিবা।)

ভাল → লতা → ☐ → ☐ → ☐ → ☐ → ☐ → ☐ → ☐ → ☐ → ☐ → ☐ → ☐ → ☐ → ☐ → ☐ → ☐ → ☐ → ☐ → ☐ → ☐ → ☐ → ভাল



## তলত দিয়া বাক্যকেইটাৰে তুলনামূলক বাক্য গঠন কৰা।

উদাহৰণ—

- অভিজিৎ ক্ষীণ; ৰাজেশ শকত।

অভিজিৎ ৰাজেশতকৈ ক্ষীণ।
ৰাজেশ অভিজিতকৈ শকত।



☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

- আমলখিজোপা ওখ; বেঙেনাজোপা চাপৰ।
- জয়সাগৰ পুখুৰীটো ডাঙৰ; আমাৰ বাৰীৰ পুখুৰীটো সৰু।



**শব্দ গঠন কৰা।**

চিৰ
- কাল → চিৰকাল
- দিন → ______
- স্থায়ী → ______
- স্মৰণীয় → ______

বন, ধান, ঘাঁহ, শাক + অনি → বননি, ______, ______, ______



**তলৰ বাক্যাংশৰ লগত খাপখোৱা শব্দ পাত্ৰটোৰ পৰা বাছি উলিয়াই লিখা।**

- চিৰদিন নমস্কাৰ কৰিবলগীয়া
- মাহ খেতিয়ে জুৰি থকা ঠাই
- চিৰদিন মনত ৰাখিবলগীয়া
- বাঁহ গছেৰে ভৰি থকা ঠাই






**বাক্য ৰচনা কৰা।**

অমাতৰ মাত ______

উলাহ ______

চিৰকাল ______

☛ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

## গ— জ্ঞান সম্প্ৰসাৰণ

**কাৰণবোৰ লিখা।**

(ক) তুমি তোমাৰ ওপজা ঠাইখনক কিয় ভালপোৱা?

(খ) তুমি কি কি কাম কৰিলে মাৰাই মনত সুখ আৰু দুখ পায়?

(গ) আনে তোমাৰ কোনবোৰ কথা ক'লে তুমি লাজ পোৱা আৰু কোনবোৰ কথা ক'লে তোমাৰ বুকুখন গৰ্বত ফুলি উঠে?

**তলৰ বাক্যশাৰী দুবাৰ লিখা।**

**দেশতকৈ মোমাই ডাঙৰ নহয়।**

..........................................................................................................


..........................................................................................................

**'আমাৰ ভাৰতবৰ্ষ' নামৰ কবিতাটো আবৃত্তি কৰা।**



**আমাৰ ভাৰতবৰ্ষ**

শিতানত হিমালয়
দক্ষিণে সাগৰ,
পূব পিনে শাৰী শাৰী
গিৰি মনোহৰ।
পছিম দিশত আছে
আৰব সাগৰ,
ভাৰতবৰ্ষ মোৰেই দেশ
জন্ম জন্মান্তৰ।



*কবি— নৰকান্ত বৰুৱা*

*(উৎস—'শিশু-সাহিত্য সমগ্ৰ' পৃষ্ঠা ২৩৫, সম্পাদনা— গগন চন্দ্ৰ অধিকাৰী, প্ৰকাশক — অন্বেষা)*

**ভাৰতবৰ্ষৰ মানচিত্ৰ চাই পদ্যটিৰ আধাৰত ভাৰতৰ চাৰিসীমা লিখা।**

*ভাৰতবৰ্ষৰ মানচিত্ৰ এখন আনি কবিতাটোৰ লগত মিলাই চোৱাত সহায় কৰিব।*

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

 কুমাৰ আৰু খনিকৰে কি কি সজা দেখিছা ? মাটিৰে যিকোনো এবিধ ফল সাজা।

 ছবি আঁকা।



চৰাই, পখিলা, পলু

 আকস্মিক বক্তৃতাত ভাগ লওঁ আহা

(**বিষয়বস্তু** — আই, নিজৰা, জন্মভূমি, অৰণ্য, পানী, ধান, চৰাই, ফুল ইত্যাদি।)

> *উল্লিখিত বিষয়বস্তুসমূহ লৈ ছাত্র-ছাত্রীক আকস্মিক বক্তৃতাত অংশ গ্রহণ কৰাব।*

## ঘ— প্রকল্প

 **তুমি জনা বা শুনা প্রাকৃতিক সম্পদৰ এখন তালিকা প্রস্তুত কৰা আৰু সেই সম্পদৰ উপকাৰিতাৰ বিষয়ে তিনিটাকৈ বাক্য লিখা।**

| সম্পদৰ নাম | উপকাৰিতা |
|---|---|
| **উদাহৰণ -** <br> ১। বাঁহ | ১। বাঁহেৰে কাগজ তৈয়াৰ কৰা হয়। <br> ২। বাঁহেৰে জেওৰা দিয়া হয়। <br> ৩। বাঁহেৰে খৰাহি, চালনী আদি তৈয়াৰ কৰা হয়। |
| ২। ........................... | ........................................................................ |
| ৩। ........................... | ........................................................................ |
| ৪। ........................... | ........................................................................ |

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

ছবিখন চোৱা আৰু কোৱা।



কওঁতে ছাত্ৰ-ছাত্ৰীক সহায় কৰিব।



নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী